**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-JUNE-2026
**Time :** 1910 PM

***Assamese NSD Evening Bulletin***

——————————————————

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি পৰিবেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত লোৱা নতৃত্বৰ বাবে চিচিলিৰ সৰ্বোচ্চ সন্মান **গাৰ্ডিয়ান অব দা ব্লু হৰিজন** প্ৰদান কৰা হয়।

২। গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰধানমন্ত্ৰী মোদীক চিচিলিৰ সৰ্বোচ্চ সন্মান লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে।

৩। আকাশবাণীৰ মন কি বাত অনুষ্ঠানৰ যোগেদি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰে।

৪। বিগত কেইবাদিনো ধৰি ইউৰোপৰ বহুকেইখন দেশত গ্ৰীষ্মপ্ৰবাহৰ ফলত সহস্ৰাধিক লোকৰ মৃত্যু হৈছে।

***আৰু***

৫। আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-এৰ অন্তিম খেলখনত ভাৰত, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে চিচিলিলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি পৰিবেশ সুৰক্ষা আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত দ্বীপ ৰাষ্ট্ৰখনৰ সৰ্বোচ্চ সন্মান **গাৰ্ডিয়ান অব দা ব্লু হৰিজন** প্ৰদান কৰা হয়। চিচিলিৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনীয়ে প্ৰধানমন্ত্ৰী মোদীক এই সন্মান প্ৰদান কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উন্নয়নশীল ৰাষ্ট্ৰসমূহত সেউজ আন্দোলনৰ লগতে অৰ্থনৈতিক উন্নয়ন, জলবায়ু সুৰক্ষা, সামুদ্ৰিক সম্পদৰ ব্যৱহাৰ আৰু সৰু দ্বীপৰাষ্ট্ৰসমূহৰ উন্নয়নৰ উচ্চাকাংক্ষাৰ পূৰণত নেতৃত্ব লোৱাৰ বাবে তেওঁক এই সন্মানৰ বাবে বিবেচনা কৰা হয়।

পৰিবেশ সুৰক্ষা আৰু জলবায়ু পৰিৱৰ্তনৰ বাবে কাম কৰা প্ৰতিখন দেশৰ নাগৰিকলৈ প্ৰধানমন্ত্ৰীয়ে এই সন্মান উচৰ্গা কৰে। এই সন্মানে আন্তঃৰাষ্ট্ৰীয় সৌৰ মিত্ৰতা, মিছন লাইফ, এক পেড় মা কে নাম আৰু আন্তঃৰাষ্ট্ৰীয় বিগ কেট সন্মিলনকে ধৰি এখন সেউজ ধৰণী নিৰ্মাণৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদীৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। এই সন্মানে ভাৰত মহাসাগৰীয় অঞ্চলত পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ দিশত ভাৰতে গ্ৰহণ কৰি অহা বিভিন্ন পদক্ষেপত চিচিলিৰ অংশীদাৰিত্বক গুৰুত্ব প্ৰদান কৰে।

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰধানমন্ত্ৰী মোদীক চিচিলিৰ সৰ্বোচ্চ সন্মান লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰিছে। চিচিলিৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনীয়ে পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত লোৱা নেতৃত্বৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি **গাৰ্ডিয়ান অব দা ব্লু হৰিজন** সন্মান প্ৰদান কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তা গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে এই সন্মানে পৰিবেশতন্ত্ৰ পুনৰুজ্জীৱিত কৰাৰ লগতে বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত ভাৰতৰ উত্থানক প্ৰতিফলিত কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ জয়শংকৰে কয় যে চিচিলিৰ এই সৰ্বোচ্চ সন্মানে জলবায়ু পৰিৱৰ্তন আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ নেতৃত্বৰ লগতে ভাৰত আৰু চিচিলিৰ অংশীদাৰিত্বত গুৰুত্ব আৰোপ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী

ৰাজনাথ সিঙে সামাজিক মাধ্যমৰ এটা বাৰ্তাত উল্লেখ কৰে যে এই সন্মানে শ্ৰীমোদীৰ দূৰদৰ্শী নেতৃত্ব আৰু বিশ্বৰ জলবায়ু পৰিৱৰ্তনৰ প্ৰতি থকা তেওঁৰ প্ৰতিশ্ৰুতিৰ কথা দোহাৰে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত বিশ্বজুৰি ভাৰতৰ সন্মান বৃদ্ধি হৈছে। আজি লাভ কৰা এই সন্মান প্ৰতিজন ভাৰতীয়ৰ বাবে গৌৰৱৰ বিষয় বুলিও শ্ৰীসিঙে বাৰ্তাটোত উল্লেখ কৰে। তদুপৰি মন্ত্ৰী পীয়ুষ গোৱেল, মনোহৰ লাল, ড০ জিতেন্দ্ৰ সিঙকে ধৰি অন্যান্য মন্ত্ৰীসকলেও প্ৰধানমন্ত্ৰী মোদীক অভিনন্দন জ্ঞাপন কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কয় যে জলবায়ু সম্বন্ধীয় কাম-কাজসমূহ নিৰপেক্ষতা, দায়িত্বশীল আৰু সমতাৰে আগবঢ়াই নিব লাগিব। চিচিলিৰ ৰাষ্ট্ৰীয় সদনত ভাষণ প্ৰদান কৰি শ্ৰীমোদীয়ে জলবায়ু সুৰক্ষাৰ ক্ষেত্ৰত ইয়াকে মূল বিষয় বুলি অভিহিত কৰে। শ্ৰীমোদী ভাষণ প্ৰসঙ্গত কয় যে ভাৰত আৰু চিচিলিয়ে এনে এখন উন্নত বিশ্বৰ আশা কৰে, য'ত আন্তঃৰাষ্ট্ৰীয় প্ৰতিষ্ঠানসমূহে বাস্তৱতাক প্ৰতিফলিত কৰে। ভাৰত মহাসাগৰৰ বাবে ভাৰতৰ দৃষ্টিভংগীৰ ক্ষেত্ৰত চিচিলিয়ে সদায় এক বিশেষ স্থান অধিকাৰ কৰি আছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে চিচিলিৰ এই স্থানে সময়ৰ লগে লগে অধিক শক্তিশালী ৰূপ লাভ কৰিছে।

শ্ৰীমোদীয়ে কয় যে যেতিয়া মানুহে এখন মানচিত্ৰ প্ৰত্যক্ষ কৰে তেতিয়া তেওঁলোকে চিচিলিক ভাৰত মহাসাগৰত থকা কেইটামান দ্বীপপুঞ্জ হিচাপে দেখা পায়। কিন্তু ভাৰতে চিচিলিক এনে এখন ৰাষ্ট্ৰ হিচাপে কল্পনা কৰিছে যাৰ সীমা কেৱল সাগৰৰ উপকূলতেই সীমিত নহয়, ই তাতকৈও অধিক বিস্তৃত। শ্ৰীমোদীয়ে উল্লেখ কৰে যে প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী হিচাপে চিচিলিৰ ৰাষ্ট্ৰীয় সদনত ভাষণ প্ৰদান কৰাটো তেওঁৰ বাবে এটি বিশেষ সন্মান। তেওঁ লগতে চিচিলিৰ সৰ্বোচ্চ সন্মান গাৰ্ডিয়ান অব দা ব্লু হৰিজন সন্মান প্ৰদান কৰাৰ বাবে ৰাষ্ট্ৰপতি হাৰ্মিনীৰ লগতে চিচিলিৰ জনসাধাৰণক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০

ভাৰতে জুনত স্বদেশী C-295 শ্ৰেণীৰ বিমানৰ প্ৰথম উৰণেৰে বিমান পৰিবহণ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ সাফল্য অৰ্জন কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কি বাত অনুষ্ঠানৰ যোগেদি আজি দেশ-বিদেশৰ জনসাধাৰণ সৈতে মত বিনিময় কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে বৰ্তমান দেশত এনেধৰণৰ আৰু ৪০ খন বিমান নিৰ্মাণ কৰি থকা হৈছে। তেওঁ কয়, যে ইয়াৰ ফলত অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ তথা বিমানাকাশ ক্ষেত্ৰই গতি লাভ কৰাৰ লগতে কৰ্মসংস্থাপন সুযোগ সৃষ্টি হৈছে আৰু আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প সুদৃঢ় হৈ উঠিছে। চলিত মাহত কলকাতাত আই এন এছ ডুনাগিৰি, সংশোধক আৰু অগ্ৰয় নামৰ তিনিখন যুদ্ধ জাহাজ নৌ সেনা বাহিনীক অন্তৰ্ভুক্ত কৰা বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে জাহাজ তিনিখনৰ আৰ্হিৰ পৰা নিৰ্মাণলৈকে সকলোখিনি স্বদেশী। তেওঁ কয়, যে ডি আৰ ডি অ'ই ভাৰতীয় উদ্যোগ জগতৰ সহযোগিতাৰে এই ক্ষেপনাস্ত্ৰবিধ বিকশাই তুলিছে। তেওঁ লগতে কয়, যে ভাৰত সমুদ্ৰৰ পৰা আকাশলৈ ক্ৰমান্বয়ে আত্মনিৰ্ভৰশীলতাৰ দিশে অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীয়ে অনুষ্ঠানত বিশ্বজুৰি পালন কৰা আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ বিষয়েও উল্লেখ কৰে। তেওঁ কয়, যে এইবাৰ এই দিৱসৰ সৈতে সংগতি ৰাখি বিশ্বৰ বিভিন্ন দেশৰ আঢ়ৈ হাজাৰটাতকৈও অধিক স্থানত জনসাধাৰণে যোগাভ্যাসৰ কাৰ্যসূচীত ভাগ লয়।

ৰাষ্ট্ৰগঠন প্ৰক্ৰিয়াত জনসাধাৰণৰ অংশগ্ৰহণ দেশৰ বাবে অমূল্য সম্পদ বুলি অভিহিত কৰি শ্ৰী মোদীয়ে কয়, যে পশ্চিম এছিয়াৰ যুদ্ধৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিলৈ চাই তেওঁ জনোৱা আহ্বানৰ প্ৰতি কিছুমান ঠাইৰ লোকে একতাৰ পৰিচয় দিয়ে আৰু সোণৰ ক্ৰয় তথা বিদেশ ভ্ৰমণ স্থগিত ৰাখে।

প্ৰধানমন্ত্ৰীয়ে এইবাৰৰ মন কী বাত অনুষ্ঠানত অন্ধবিশ্বাসৰ বিষয়েও চৰ্চা কৰে। তেওঁ কয়, যে মানৱ সমাজত যুগ যুগ ধৰি অন্ধবিশ্বাস প্ৰোথিত হৈ আছে। তেওঁ লগতে কয়, যে অধিকাংশ ক্ষেত্ৰত অন্ধবিশ্বাস অকল ভুল ধাৰণাৰে নহয়, বৰং ইয়াৰ পৰা ভয়ৰ সৃষ্টি হয় আৰু ভয়ে আবৰি ৰাখিলে সত্যটো দেখা পোৱা

নাযায়। প্ৰধানমন্ত্ৰীয়ে লগতে অন্ধবিশ্বাসী ব্যক্তিয়ে কোনো ধৰণৰ যুক্তি অবিহনে সিদ্ধান্ত গ্ৰহণ কৰাৰ বিষয় লৈ উদ্বেগ প্ৰকাশ কৰে।

অসমৰ কেতবোৰ ঠাইত হাড়গিলা চৰাইক কিদৰে অস্পৃশ্য বুলি গণ্য কৰা হৈছিল বুলি আৰু অন্ধবিশ্বাসৰ বশৱৰ্তী হৈ আনকি হাড়গিলা চৰায়ে বাহ সজা গছ কাটি দিয়া হৈছিল বুলি তেওঁ প্ৰকাশ কৰে। এনে সময়তে পূৰ্ণিমা দেৱী বৰ্মনে জনসাধাৰণৰ মাজত গভীৰভাৱে শিপাই থকা এই ভুল ধাৰণা দূৰ কৰাৰ বাবে সংকল্প লয়। তেওঁ প্ৰকৃতি পৰিষ্কাৰ কৰি ৰখাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা পক্ষীবিধক লৈ মহিলাৰ সৈতে কথা পাতে আৰু বিজ্ঞানৰ আধাৰত তথ্যসহকাৰে ব্যাখ্যা আগবঢ়ায়। ইয়াৰ ফলস্বৰূপে মহিলাসকলে এই অভিযানত যোগদান কৰিবলৈ লয় আৰু গুৰুত্ব পৰিৱৰ্তনৰ সূচনা হয়। হাড়গিলা চৰাইবিধক ৰক্ষা কৰাৰ বাবে ওলাই অহা গ্ৰামাঞ্চলৰ এই হাজাৰ হাজাৰ মহিলা আজি হাড়গিলা আৰ্মীৰূপে জনাজাত বুলি প্ৰধানমন্ত্ৰী উল্লেখ কৰে।

অনুষ্ঠানত প্ৰদানমন্ত্ৰী মোদীয়ে মেঘালয়ৰ শিপাৰে প্ৰস্তুত কৰা দলঙৰ বিষয়ে উল্লেখ কৰি কয় যে এনে একোখন দলং নিৰ্মাণৰ বাবে কেইবাদশকৰ প্ৰয়োজন। ৰবৰ গছৰ শিপাসমূহ বছৰ বছৰ ধৰি নিৰ্দিষ্ট আকৃতিলৈ আনি এনে দলঙৰ প্ৰস্তুত কৰা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে এই দলংসমূহ জীৱিত আৰু সময়ৰ লগে লগে অতি শক্তিশালী হৈ পৰে। এনে দলঙে মেঘালয়ৰ জনসাধাৰণৰ কলাশৈলী আৰু ঐতিহ্যক প্ৰতিফলিত কৰে বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ লগতে কয় যে মেঘালয়ৰ এই আকৰ্ষণীয় দলঙক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত হিচাপে স্বীকৃতি দিবলৈ ইতিমধ্যে আবেদন কৰা হৈছে।

অনুষ্ঠানৰ শেষত জল সংৰক্ষণত গুৰুত্ব আৰোপ কৰি প্ৰধানমন্ত্ৰীয়ে বৰষুণৰ প্ৰতি টোপাল পানী সংৰক্ষণ কৰা উচিত বুলি মন্তব্য কৰে। কেটছ্ দ্যা ৰেইন অভিযান মন্থৰ হোৱা উচিত নহয় বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

000000

বিগত কেইবাদিনো ইউৰোপৰ বহুকেইখন দেশত গ্ৰীষ্মপ্ৰবাহৰ ফলত সহস্ৰাধিক লোকৰ মৃত্যু হৈছে। মহাদেশখনৰ ফ্ৰান্স, জাৰ্মানী আৰু চেক গণৰাজ্যৰ তাপমাত্ৰা যোৱা সপ্তাহত অভিলেখ সংখ্যকভাৱে বৃদ্ধি পাইছে। ফ্ৰান্সৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি বুধবাৰৰ পৰা দেশখনত অত্যধিক গৰমৰ বাবে প্ৰায় সহস্ৰাধিক লোকৰ মৃত্যু হৈছে। মৃত্যু হোৱা লোকৰ অধিকাংশই জ্যেষ্ঠ নাগৰিক। অত্যধিক গ্ৰীষ্মপ্ৰবাহৰ বাবে পেৰিচতো প্ৰশাসনে জনসাধাৰণলৈ কেতবোৰ সুৰক্ষা সম্বন্ধীয় জাননী জাৰি কৰিছে। জাৰ্মানী আৰু চেক গণৰাজ্যৰ তাপমাত্ৰা ৪২ ডিগ্ৰী পৰ্যন্ত বৃদ্ধি হৈছে। জাৰ্মানীত কালি সৰ্বকালৰ অভিলেখ ভংগ কৰি তাপমাত্ৰা ৪১ দশমিক ৫ ডিগ্ৰী চেলছিয়াচ স্পৰ্শ কৰে। চেক গণৰাজ্যতো প্ৰায় ৪১ ডিগ্ৰী পৰ্যন্ত তামপাত্ৰা বৃদ্ধি পাইছে।

000000

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি গ্ৰুপ-এৰ অন্তিম খেলখনত ভাৰত আৰু অষ্ট্ৰেলিয়া মুখামুখি হৈছে। টছত জিকি ভাৰতে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে গ্ৰুপ পৰ্যায়ৰ ৪ খন খেলৰ তিনিখনতে জয়লাভ কৰি গ্ৰুপ-এৰ দ্বিতীয় স্থানত আছে। আনহাতে গ্ৰুপৰ চাৰিওখন খেলতে জয়লাভ কৰি অষ্ট্ৰেলিয়া গ্ৰুপ-এৰ শীৰ্ষত আছে। ভাৰতে আজি অষ্ট্ৰেলিয়াক পৰাজিত কৰি ছেমি ফাইনেলত প্ৰৱেশৰ চেষ্টা চলাব।

000000

**সমাপ্ত**